# মূল্যবোধৰ শিক্ষা - ড০ দুলুমণি গোস্বামী

---

**অতি চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক ১ )**

প্ৰশ্ন ১.ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা ব্যৱস্থাৰ মূল আধাৰ কি আছিল ?

উত্তৰঃ ভাৰতীয় প্ৰাচীন শিক্ষা ব্যৱস্থাৰ মূল আধাৰ আছিল মূল্যবোধ ।

প্ৰশ্ন ২.প্ৰথম অৱস্থাত  'মূল্য' শব্দটো কি উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল ?

উত্তৰঃ অৰ্থনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল ।

প্ৰশ্ন ৩.নৈতিক শব্দটো ইংৰাজী প্ৰতিশব্দ 'ম'ৰেল ' ( moral ) শব্দটোৰ উৎপত্তি কোন ভাষাৰ পৰা হৈছে ?

উত্তৰঃ লেটিন ভাষাৰ ম'ৰীজ শব্দৰ পৰা ।

প্ৰশ্ন ৪.মহৰ্ষি টলষ্টয়ৰ মতে সৌন্দৰ্যবোধ কি ?

উত্তৰঃ মহৰ্ষি টলষ্টয়ৰ মতে সৌন্দৰ্যবোধ বস্তুনিষ্ঠ নহয় , ব্যক্তিনিষ্ঠহে ।

প্ৰশ্ন ৫.ৰাষ্ট্ৰীয় শিক্ষা আৰু গৱেষণা শিক্ষণ পৰিষদে কিমানটা মূলবোধ চিনাক্ত কৰিছে ?

উত্তৰঃ ৮৪ বিধ মূল্যবোধ চিনাক্ত কৰিছে ।

## চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক ২/৩)

প্ৰশ্ন ১.আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে মূল্যবোধ কেইটা আৰু কি কি ? অথবা , মূল্যবোধৰ ত্ৰিনীতি ’ কি ?

উত্তৰঃ আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে সত্যম - শিৱম - সুন্দৰম এই তিনিটা হৈছে চিৰন্তন মূল্যবোধ , যাৰ কোনো পৰিৱৰ্তন নাই । এই মূল্যবোধসমূহ সমাজতে আছে । মানুহৰ দায়িত্ব হ'ল কেৱল এইবোৰ আৱিষ্কাৰ কৰা বা উপলব্ধি কৰা । চিৰন্তন মূল্যবোধৰ কোনো পৰিৱৰ্তন নাই । আদৰ্শবাদী বা প্ৰকৃতিবাদী দাৰ্শনিকসকলে মূল্যবোধৰ ক্ষেত্ৰত বস্তুবাদী জগতখনৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে । তেওঁলোকৰ মতে বস্তু বা প্ৰকৃতিয়েহে মূল্যবোধ নিৰূপণ কৰে ।

প্ৰশ্ন ২.ভাৰতীয় দৰ্শনে মূল্যবোধক কেষ্টা শ্ৰেণীত ভাগ কৰিছে আৰু কি কি ?

উত্তৰঃ ভাৰতীয় দৰ্শন হৈছে মূল্যবোধৰ দৰ্শন । সমাজৰ নৈতিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তাৰ পৰাই ইয়াৰ সৃষ্টি হৈছে । ভাৰতীয় দৰ্শনে মূল্যবোধক চাৰিটা শ্ৰেণীত ভাগ , কৰিছে । সেই চাৰিটা হল—

( ১ ) ধৰ্ম ।

( ২ ) অৰ্থ ।

( ৩ ) কাম । আৰু

( ৪ ) মোক্ষ ।

প্ৰশ্ন ৩.প্ৰকৃততে মূল্যবোধক কি দৃষ্টিকোণৰ পৰা বিচাৰ কৰা হয় ?

উত্তৰঃ প্ৰকৃততে মূল্যবোধ সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয় । কাৰণ মানুহ সামাজিক জীৱ । গতিকে কেৱল ব্যক্তিৰ প্ৰয়োজন পূৰণৰ ধাৰণাৰে মূল্যবোধক বিচাৰ কৰিব নোৱাৰি । ব্যক্তিৰ প্ৰয়োজন পূৰণ কৰা বস্তুক মূল্যৱান নহয় বুলি কব নোৱাৰি ; কিন্তু প্ৰয়োজন পূৰণে যদি আনৰ অপকাৰ কৰে বা সামাজিক জীৱনত অনিষ্ট সাধন কৰে , তেনে কাৰ্যৰ কোনো ধৰণৰ মূল্য আছে বুলি ক'ব নোৱাৰি । সহজে অৰ্থত মূল্যবোধ হৈছে আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে বা সামাজিক জীৱন নিয়ন্ত্ৰণ কৰাৰ বাবে কিছুমান নীতি আৰু আদৰ্শ যিবোৰ মানুহে শিক্ষণৰ আৰু সামাজিকীকৰণৰ যোগেদি আয়ত্ত কৰে ।

মূল্যবোধ হৈছে মানুহৰ জীৱনৰ কিছুমান নিৰ্দেশিকা নীতি , যিবোৰ মানুহৰ দৈহিক , মানসিক উন্নতি তথা সমাজ কল্যাণৰ বাবে হিতকৰ । সমাজত প্ৰচলিত ধৰ্মীয় বিশ্বাস , জীৱন - দৰ্শন , নৈতিক আদৰ্শ , ৰাজনৈতিক আদৰ্শ , আচাৰ - ব্যৱহাৰ , দৈনন্দিন জীৱনৰ কাৰ্যাৱলী এই সকলোবোৰ মূল্যবোধে সামৰি লয় । সমাজৰ পৰিৱেশ আৰু প্ৰয়োজনীয়তা সাপেক্ষে মূল্যবোধৰো পৰিৱৰ্তন হয় । সমাজত পৰিৱৰ্তনৰ লগে লগে নতুন মূল্যবোধৰ সৃষ্টি হয় ।

প্ৰশ্ন ৪.সহজ অৰ্থত মূল্যবোধ মানে কি ?

উত্তৰঃ প্ৰকৃততে মূল্যবোধক সামাজিক দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰা হয় । সেয়ে সহজ অৰ্থত মূল্যবোধ হৈছে আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে বা সামাজিক জীৱন নিয়ন্ত্ৰণ কৰাৰ বাবে কিছুমান নীতি আৰু আদৰ্শ— যিবোৰ মানুহে শিক্ষণ আৰু সামাজিকীকৰণৰ যোগেদি আয়ত্ত কৰে ।

প্ৰশ্ন ৫.মনোবিজ্ঞানীসকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে কেইটা আচৰণৰ কথা চিনাক্ত কৰিছে আৰু কি কি ?

উত্তৰঃ মনোবিজ্ঞানী সকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে অধ্যয়ন চলাই যি চাৰিটা বিশেষ আচৰণৰ কথা চিনাক্ত কৰিছে , সেই চাৰিটা তলত উল্লেখ কৰা হ'ল-

( ক ) যুক্তিনিষ্ঠতা :- শিশুৱে সন্মুখীন হোৱা বিভিন্ন পৰিৱেশ যুক্তিনিষ্ঠভাৱে বিচাৰ বিশ্লেষণ ।

( খ ) পৰোপকাৰিতা :- অন্য মানুহৰ সুখ - দুখৰ প্ৰতি সহানুভূতিশীল হোৱা আৰু প্ৰয়োজন সাপেক্ষে সহায় কৰা ।

( গ ) দায়িত্ববোধ :- সমাজত নিজৰ দায়িত্ব সম্পৰ্কে সচেতন হোৱা আৰু নিজে কৰা কামৰ ভুল - ত্ৰুটিসমূহ স্বীকাৰ কৰি লোৱা ।

( ঘ ) নৈতিক স্বতন্ত্ৰতা :- নিজস্বভাৱে কোনো এক নৈতিক সিদ্ধান্ত লোৱাৰ ক্ষমতা । আনৰ লগত আলোচনা কৰিলেও এনেধৰণৰ সিদ্ধান্তৰ সমস্ত দায়িত্ব ব্যক্তিয়ে নিজে স্বীকাৰ কৰি লোৱাৰ মানসিকতা ।

## দীঘলীয়া প্ৰশ্নৰ উত্তৰ ( মূল্যাংক -৪/৫)

প্ৰশ্ন ১.আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে আধ্যাত্মিক মূল্যবোধ মানে কি ?

উত্তৰঃ ভাৰতীয় সমাজ - সংস্কৃতিত আধ্যাত্মিকতাৰ স্থান অতি উচ্চ । আধ্যাত্মিক মূল্যবোধৰ লগত ধৰ্মীয় মূল্যবোধৰ সম্পৰ্ক আছে । আদৰ্শবাদী দাৰ্শনিকসকলৰ মতবাদসমূহ আধ্যাত্মিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত । আধ্যাত্মিক মূল্যবোধে বস্তুবাদী জগতৰ ওপৰত গুৰুত্ব নিদি মন বা আত্মাৰ বিকাশৰ ওপৰতহে গুৰুত্ব দিয়ে । মনৰ বা আত্মাৰ বিকাশেহে মানুহক উচ্চ স্তৰলৈ লৈ যাব পাৰে আৰু প্ৰকৃত সুখৰ সন্ধান দিব পাৰে । আধ্যাত্মিক মূল্যবোধৰ অভাৱৰ বাবেই আজিৰ সমাজখন হৈ পৰিছে বিশৃংখল , দুৰ্নীতিপৰায়ণ আৰু অনৈতিক । আধ্যাত্মিক মূল্যবোধ বিকাশ হ'ব , যেতিয়া মানুহে মানুহক ভাল পাবলৈ শিকিব , সহযোগিতা, সহমৰ্মিতা , অহিংসা ভাব , ভক্তি , সংযম , উদাৰতা আদি বৃদ্ধি হ'ব ।

মহাপুৰুষ শংকৰদেৱে কোৱাৰ দৰে “ কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম , জানিয়া সবাকো পৰি কৰিবা প্ৰণাম । ”

প্ৰশ্ন ২.নন্দন তাত্বিক মূল্যবোধে কি কি বিষয় সামৰি লয় চমুকৈ আলোচনা কৰা ।

উত্তৰঃ নন্দনতাত্বিক মূলবোধক আন কথাত সৌন্দৰ্যবোধ বুলি ক'ব পাৰি । কিছুমান পণ্ডিতে মত প্ৰকাশ কৰে যেনন্দনতাত্বিক মূল্যবোধ কেৱল ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ ক্ষেত্ৰতহে প্ৰযোজ্য , অপাৰ্থিব বস্তুৰ ক্ষেত্ৰত তাক প্ৰয়োগ কৰিব নোৱাৰি । কিন্তু মানুহে সকলো ধৰণৰ ভাল কাম বা ঘটনা বা ধাৰণাক মূল্য দিয়ে । সেই বাবে এইবোৰৰ নান্দনিক মূল্যবোধ বিচাৰি পোৱা যায় । মানৱ জীৱনৰ তিনিটা মূল মূল্যবোধ হৈছে—

( ক ) সত্য ।

( খ ) শিৱ । আৰু

( গ ) সুন্দৰ ।

এই সুন্দৰৰ মূল্যবোধেই হৈছেনন্দনতাত্বিক মূল্যবোধ । নন্দনতাত্বিক সৌন্দৰ্যই মানুহক শান্তি প্ৰদান কৰে আৰু জীৱনটো সুন্দৰ কৰি তোলে । জীৱন্ত বা জড় সকলো বস্তুৰে নন্দনতাত্বিক মূল্যায়ন হ'ব পাৰে । মানুহৰ সকলো কাৰ্য একেটা চকুৰে চালেও মনোযোগৰ বেলেগ বেলেগ বিন্দুৰ পৰা বেলেগ বেলেগ । পৰ্যায়ত মূল্যায়ন কৰা হয় । গতিকে , মনোযোগেই হৈছেনন্দনতাত্বিক মূল্যবোধৰ চাবি কাঠী ।

প্ৰশ্ন ৩.চিৰন্তন মূল্যবোধ সম্পৰ্কে চমুকৈ বুজাই লিখা ।

উত্তৰঃ আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে সত্যম - শিৱম - সুন্দৰম এই তিনিটা হৈছে চিৰন্তন মূল্যবোধ ; যাৰ কোনো পৰিৱৰ্তন নাই । এই মূল্যবোধসমূহ সমাজতে আছে । মানুহৰ দায়িত্ব হ'ল কেৱল এইবোৰ

আৱিষ্কাৰ কৰা বা উপলব্ধি কৰা। চিৰন্তন মূল্যবোধৰ কোনো পৰিৱৰ্তন নাই। আদৰ্শবাদী বা প্ৰকৃতিবাদী দাৰ্শনিকসকলে মূল্যবোধৰ ক্ষেত্ৰত বস্তুবাদী জগতখনৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। তেওঁলোকৰ মতে বস্তু বা প্ৰকৃতিয়েহে মূল্যবোধ নিৰূপণ কৰে।

প্ৰশ্ন ৪.নৈতিক মূল্যবোধৰ ধাৰণাই কি কি কথা সামৰি লয় আলোচনা কৰা।

উত্তৰঃ যিহেতু নৈতিকতাৰ লগত সামাজিক নীতি - নিয়ম আৰু আদৰ্শ জড়িত হৈ থাকে , সেয়ে নৈতিকতাই সমাজৰ ৰীতি - নীতি মানি চলাটোকে বুজায়। সমাজৰ গ্ৰহণযোগ্য নীতি নিয়ম , আচাৰ - ব্যৱহাৰৰ বিপৰীতে চলাটোক অনৈতিক আচৰণ বুলি কয়। নৈতিক মূল্যবোধে মানুহক প্ৰভাৱিত কৰে আৰু সামাজিক , অৰ্থনৈতিক , সাংস্কৃতিক , ৰাজনৈতিক , প্ৰশাসনিক আদি সকলো ক্ষেত্ৰতে ইয়াৰ প্ৰতিফলন হয়। গতিকে - শিশুৰ নৈতিক বিকাশৰ অৰ্থ হৈছে সমাজৰ প্ৰচলিত আচৰণবোৰ আয়ত্ত কৰিবলৈ শিকোৱা। মনোবিজ্ঞানীসকলে শিশুৰ নৈতিক বিকাশৰ বিষয়ে অধ্যয়ন চলাই চাৰিটা বিশেষ আচৰণৰ কথা চিনাক্ত কৰিছে-

১.যুক্তিনিষ্ঠতা :- শিশুৱে সন্মুখীন হোৱা বিভিন্ন পৰিৱেশ যুক্তিনিষ্ঠভাৱে বিচাৰ - বিশ্লেষণ কৰা।

২.পোপকাৰিতা :- অন্য মানুহৰ সুখ - দুখৰ প্ৰতি সহানুভূতিশীল হোৱা আৰু প্ৰয়োজন , সাপেক্ষে সহায় কৰা।

৩.দায়িত্ববোধ :- সমাজত নিজৰ দায়িত্ব সম্পৰ্কে সচেতন হোৱা আৰু নিজে কৰা কামৰ ভুল - ত্ৰুটিসমূহ স্বীকাৰ কৰি লোৱা।

৪.নৈতিক স্বতন্ত্ৰতা :- নিজস্বভাৱে কোনো এক নৈতিক সিদ্ধান্ত লোৱাৰ ক্ষমতা। আনৰ লগত আলোচনা কৰিলেও এনে ধৰণৰ সিদ্ধান্তৰ সমস্ত দায়িত্ব ব্যক্তিয়ে নিজে স্বীকাৰ কৰি লোৱাৰ মানসিকতা।

প্ৰশ্ন ৫.মূল্যবোধ সম্পৰ্কে তোমাৰ কি ধাৰণা তাক চমুকৈ ব্যাক্ত কৰা ।

উত্তৰঃ মূল্যবোধৰ ধাৰণা মানুহৰ কৰ্ম আৰু চিন্তাৰ লগত ইমান গভীৰ আৰু বিস্তৃতভাৱে জড়িত হৈ আছে যে ইয়াৰ সম্পৰ্কে ধাৰণা বা ব্যাখ্যা আগবঢ়োৱাটো খুবেই কঠিন কাম । প্ৰথম অৱস্থাত ‘ মূল্য ’ শব্দটো কেৱল অৰ্থনৈতিক উদ্দেশ্যেতহে ব্যৱহাৰ কৰা হৈছিল । বহল অৰ্থত চাবলৈ গ'লে , মূল হৈছে কোনো বস্তু বা অৱস্থা কাৰ্য , যিয়ে ব্যক্তিৰ প্ৰয়োজন বা ইচ্ছা পূৰণ কৰে । গতিকে মূল্যই সেইবোৰ বস্তুকে বুজাই , যিবোৰ ব্যক্তিয়ে বিচাৰে । আকৌ মানুহে বহুতো বস্তুকে বিচাৰে , যেনে টকা - পইচা , সম্পত্তি , খাদ্য , নিৰাপত্তা , সুখ - শান্তি ইত্যাদি । এই সকলো ব্যক্তিৰ কাৰণে মূল্যৱান । আনহাতে মানুহে বহুতো বস্তু নিবিচাৰে বা আশা নকৰে , যেনে , ক্ষুধা , অজ্ঞতা , বেমাৰ - আজাৰ , অশান্তি আদি । এইবোৰ সেইবাবে মূল্যহীন । গতিকে এনে অৰ্থত মূল্যবোধৰ কোনো ভাল - বেয়া , উচ্চ - নীচৰ প্ৰশ্ন জড়িত নাথাকে ।

মানুহ সামাজিক জীৱ । গতিকে কেৱল ব্যক্তিৰ প্ৰয়োজন পূৰণৰ ধাৰণাৰে মূল্যবোধ বিচাৰ কৰিব নোৱাৰি । ব্যক্তিৰ প্ৰয়োজন পূৰণে যদি আন ব্যক্তি বা সমাজৰ অনিষ্ট সাধন কৰে , তেনেহ'লে সেই কাৰ্যৰ কোনো ধৰণৰ মূল্য আছে বুলি ক'ব নোৱাৰি । সহজ অথত মূল্যবোধৰ ধাৰণা এয়ে যে আমাৰ সামাজিক জীৱন সুস্থভাৱে পৰিচালনা কৰিবৰ বাবে বা সামাজিক জীৱন নিয়ন্ত্ৰণ কৰাৰ বাবে কিছুমান নীতি আৰু আদৰ্শ — যিবোৰ মানুহে শিক্ষণ আৰু সামাজিকীকৰণৰ যোগেদি আয়ত্ত কৰে । সেয়ে মূল্যবোধ হৈছে মানুহৰ জীৱনৰ কিছুমান নিৰ্দেশনা নীতি , যিবোৰ মানুহৰ দৈহিক , মানসিক , উন্নতি তথা সমাজ কল্যাণৰ বাবে হিতকৰ ।